জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮৮/২০২১

# বৰদিন উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শুভেচ্ছা

**দিছপুৰ, ২৪ ডিচেম্বৰ ঃ** পৱিত্ৰ বৰদিন উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খ্ৰীষ্টান ধৰ্মাৱলম্বী জনসাধাৰণৰ লগতে সমূহ অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

আজি এক শুভেচ্ছা বাৰ্তাত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে প্ৰভু যীশুৰ মানৱতাৰ বাণীয়ে আমাক সকলোকে ঐক্যবদ্ধভাৱে জীৱনৰ বাটত আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। শান্তিপূৰ্ণ সহাৱস্থানৰ বাবে যীশুৱে যি দৰ্শন দি গৈছে সেয়া আজিও আমাৰ সকলোৰে বাবে জীৱনৰ বাটত আগুৱাই যোৱাৰ এক শক্তিশালী পথ। পৱিত্ৰ বৰদিন উদ্‌যাপনে ৰাজ্যবাসীৰ মাজত বন্ধুত্বপূৰ্ণ আৰু ভাতৃত্ববোধৰ বান্ধোন অধিক সুদৃঢ় কৰাৰ উপৰি এক শক্তিশালী আধ্যাত্মিক চেতনা গঢ় দি সমাজখনলৈ শান্তি-সম্প্ৰীতি আৰু প্ৰগতি কঢ়িয়াই আনিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সামাজিক মূল্যবোধ গঢ়ি তোলাৰ দিশত যীশুৰ জীৱন আৰু কৰ্ম-দৰ্শনে মানৱ সমাজক যুগে যুগে প্ৰেৰণা যোগাই যাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰদিন উদ্‌যাপনে আমাৰ মাজত বন্ধুত্বপূৰ্ণ পৰিৱেশ অধিক সুদৃঢ় কৰি তুলিব বুলিও কয়।

**পুঃডেঃ**
**২৪-১২-২০২১**